# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-08-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিটিআৰৰ লোকসকলক ভূমিৰ অধিকাৰ লাভ কৰাৰ পাছতহে উচ্ছেদ অভিযান চলোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চিৰাঙত আজি মন্তব্য কৰে। বিটিচি পৰিষদীয় নিৰ্বাচনত ব্যস্ত থকাৰ মাজতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে প্ৰথমে বিটিআৰৰ ২৬টা জনগোষ্ঠীক ভূমিৰ অধিকাৰ প্ৰদান কৰা হ'ব। ভূমিৰ অধিকাৰ প্ৰদানৰ পাছতে উচ্ছেদৰ বিষয়ে চিন্তা-চৰ্চা কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। ৰাজ্যৰ আন প্ৰান্তত মিছন বসুন্ধৰা আঁচনি ৰূপায়ণৰ পাছতহে উচ্ছেদ অভিযান চলোৱা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে চিৰাং জিলাত দুখনকৈ কাৰ্যকৰ্তা সভাতো অংশগ্ৰহণ কৰে। জিলাখনৰ সদৰ কাজলগাঁও আৰু নিচিমাত অনুষ্ঠিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে এইবাৰ বিটিচিৰ ২৬টা জনগোষ্ঠীৰ লোকৰ সাংবিধানিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। বিটিচিত দুখীয়া লোকৰ অধিকাৰসমূহ ৰূপায়ণ কৰাৰ বাবেও বিজেপিয়ে এইবাৰ নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি মন্তব্য কৰে।

০০০০

অসম গণ পৰিষদৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই আজি নাগালেণ্ডৰ ডিমাপুৰত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা নেচনেলিষ্ট ডেম'ক্ৰেটিক প্ৰগেছিভ পাৰ্টিৰ প্ৰতিষ্ঠাপক নে'ফিউ ৰিঅ'ক সাক্ষাৎ কৰে। সাক্ষাতৰ অন্তত অগপৰ সভাপতি শ্ৰীবৰাই সামাজিক মাধ্যমযোগে কয়, যে ৰিঅ'ৰ মুখ্যমন্ত্ৰীত্বৰ সময়ছোৱাত নাগালেণ্ডৰ সৈতে অসমৰ পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় হৈছে। নাগালেণ্ডত শান্তি আৰু উন্নয়নৰ প্ৰতি ত্বৰান্তিত কৰাৰ দিশত ৰিঅ'ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলিও অগপৰ সভাপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে অসমৰ শুভাকাংশী ৰিঅ'ৰ সৈতে বন্ধুত্বক অসম গণ পৰিষদে সদায়েই সন্মান কৰি আহিছে। চুবুৰীয়া ৰাজ্যখনৰ সৈতে সদিচ্ছাৰ বান্ধোন, আঞ্চলিক সম্প্ৰীতি বজাই ৰখাৰ ক্ষেত্ৰত অসম গণ পৰিষদে গুৰুত্ব আৰোপ কৰি আহিছে বুলি তেওঁ মন্তব্য কৰে। সাক্ষাৎকালত নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী টি আৰ জেলিয়াং, এন ডি পি পিৰ সভাপতি চিংগৱাং কন্যাক, উপ-সভাপতি ৰুছেমটং লংকুমাৰ উপস্থিত থাকে।

০০০০

বিশিষ্ট নাট্যকাৰ, অভিনেতা, পৰিচালক, গীতিকাৰ হেমন্ত দত্তৰ আজি দুপৰীয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত  দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ। সাত দশকৰো অধিক কালজুৰি অসমীয়া গীতি সাহিত্য, অভিনয়, চলচ্চিত্ৰ আৰু নাট্যক্ষেত্ৰলৈ বৰঙণি যোগাই অহা হেমন্ত দত্তৰ গীতসমূহে অগণন শ্ৰোতাৰ হৃদয় জিনিবলৈ সমৰ্থ হৈছে। ১৯৪২ চনত দৰং জিলাৰ খাৰুপেটিয়াত জন্মলাভ কৰা

হেমন্ত দত্তই আকাশবাণী গুৱাহাটীৰ পৰা ১৯৭৪ চনত গীতিকাৰৰূপে স্বীকৃতি লাভ কৰিছিল। অগণন গুণমুগ্ধৰ উপস্থিতিত মঙলদৈৰ ভেবাৰঘাট ৰাজহুৱা শ্মশানত ৰাজ্যিক মৰ্যাদাৰে তেওঁৰ অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

০০০০

প্ৰয়াত সাংবাদিক নিলিম চৌধুৰীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে আজি ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত নিলিম চৌধুৰী সোঁৱৰণি সাংবাদিকতা বঁটা আৰু সঞ্জীৱ নন্দী যুৱ সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। নিলিম চৌধুৰী সোঁৱৰণি সাংবাদিকতা বঁটা সোণাৰীৰ জ্যেষ্ঠ সাংবাদিক সূৰ্য্য বৰা আৰু সঞ্জীৱ নন্দী সোঁৱৰণি যুৱ সাংবাদিকতা বঁটা ডিব্ৰুগড়ৰ যুৱ সাংবাদিক হিৰণ্য বৰাক প্ৰদান কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মানস জ্যোতি দত্তৰ পৌৰহিত্যত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত নিলিম চৌধুৰীৰ পৰিবাৰ ডং সুবাসনা মহন্ত চৌধুৰী, ডং শশীকান্ত শইকীয়া, জ্যোতিপ্ৰসাদ কানৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

কৃষি মন্ত্ৰী অতুল বৰাই আজি ৰঙামাটি চাহ বাগিছাত চাহ জনগোষ্ঠীৰ লোকসকলৰ স্বাস্থ্য সেৱা উন্নত কৰাৰ লক্ষ্যৰে নিৰ্মাণ কৰা ৰঙামাটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো উদ্বোধন কৰে। ৬ খন বিচনাযুক্ত এই চিকিৎসালয়খনত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ দ্বাৰা এবছৰীয়া গ্ৰাম্য চিকিৎসা সেৱাৰ অধীনত দুগৰাকী চিকিৎসক, এগৰাকী নাৰ্ছ আৰু এজন লেব'ৰেটৰী টেকনিচিয়ানক নিযুক্তি দিয়া হৈছে। সম্প্ৰতি চিকিৎসালখনত বহিঃ বিভাগৰ সেৱা উপলব্ধ হ'ব।

০০০০

তামুলপুৰত আজি বিয়লি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কেইবাগৰাকীও ধৰ্মগুৰু, পুজাৰী, দেওৰী, পুৰোহিত, নামঘৰীয়া আদিৰ সৈতে মত বিনিময় কৰে। তামুলপুৰৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত মত বিনিময় সভাখনত ১৪ টা ধৰ্মৰ প্ৰায় ৪০০ গৰাকী ধৰ্মীয় ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা জ্ঞাপন কৰাৰ পিছতে প্ৰমোদ বড়োৱে তেওঁলোকৰ সৈতে মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০

চিপাঝাৰৰ বৰদৌলগুৰি গাওঁ পঞ্চায়তৰ বৰ আঠিয়াবাৰী গাওঁ নিৰাসী ধৰ্মপ্ৰাণ মহিলা, চিৰকুমাৰী দেৱবালা দেৱীৰ আজি দুপৰীয়া পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৯ বছৰ। তেওঁ অঞ্চলটোৰ বিভিন্ন সামাজিক, ধৰ্মীয় অনুষ্ঠানৰ সৈতে জড়িত থকাৰ লগতে সামাজিক কাম-কাজত আগভাগ লৈছিল। দেৱবালা দেৱীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ